# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 02-07-**2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

ৰাজ্যত অবৈধভাৱে চলি থকা গো-হত্যাৰ বিৰুদ্ধে চৰকাৰে শেহতীয়াকৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুসৰি কালি আৰক্ষী প্ৰশাসনে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অবৈধ গো-মাংস ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। আৰক্ষীয়ে কালি গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুজ্ঞাপত্ৰ বিহীনভাৱে গো-মাংস বিক্ৰী কৰা থকা ১৮৯ খন কচাইখানা আৰু হোটেলত অভিযান চলায়। এই অভিযানকালত আৰক্ষীয়ে এহেজাৰ ৫১২ কিলোগ্ৰামতকৈ অধিক গো-মাংস জব্দ কৰাৰ লগতে ১৭৬ জন মাংস ব্যৱসায়ীক আটক কৰিছে।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি দিল্লীত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে হোৱা এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে অসমৰ কেইবাটাও পথ প্ৰকল্পৰ অগ্ৰগতিৰ সম্পৰ্কে আলোচনা কৰাৰ সম্ভাৱনা আছে। একেদৰে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আজি বিত্তীয় আয়োগৰ অধ্যক্ষকো সাক্ষাৎ কৰি ৰাজ্যৰ উন্নয়নৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰাৰ সম্ভাৱনা আছে। তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ সৈতেও গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

ধান ক্ৰয়ৰ ক্ষেত্ৰত অসমে সৰ্বকালৰ অভিলেখ গঢ়িছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰা মতে এইপৰ্যন্ত খাৰিফ বিপণন কালত ২০২৪-২৫ বৰ্ষত ৬ লাখ ৯৭ হাজাৰ মেট্ৰিক টন ধান ক্ৰয় কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২৩-২৪ বৰ্ষত ৩ লাখ ১৪ হাজাৰ মেট্ৰিক টন আৰু ২০২২-২৩ বৰ্ষত ৫ লাখ ৯২ হাজাৰ মেট্ৰিক টন ধান ক্ৰয় কৰা হৈছিল। কৃষকৰ বাবে ন্যূনতম সমৰ্থন মূল্য নিশ্চিত কৰা আৰু চৰকাৰে বজাৰ সংযোগ নিশ্চিত কৰাৰ বাবে এই সফলতা লাভ কৰাটো সম্ভৱ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে উল্লেখ কৰিছে।

০০০০০০

যোৱা বছৰ ৩০ মে'ত প্ৰৱৰ্তন কৰা সোণালী ঘণ্টা জৰুৰীকালীন পৰিচৰ্যা আঁচনিৰ অধীনত দুহেজাৰ ৬৫৭ টা পথ দুৰ্ঘটনাৰ বলী হোৱা লোকক নগদধন ৰহিত চিকিৎসা প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তাৎক্ষণিক চিকিৎসাৰ জৰিয়তে জীৱন ৰক্ষা কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা এই আঁচনিৰ অধীনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৪৬খন চিকিৎসালয়ত ৭ দিনলৈ ডেৰ লাখ টকা পৰ্যন্ত নগদধন বিহীন চিকিৎসা প্ৰদান কৰা হয়। বৰ্তমানলৈকে সময়মতে চিকিৎসা সাহায্য সুনিশ্চিত কৰাৰ উদ্দেশ্যে চিকিৎসাৰ বাবে ২ কোটি ৭০ লাখ টকা মোকোলাই দিয়া হৈছে।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী টানগাঁৱত আজি ই-ৰিক্সা আৰু পিক্‌আপ ভেনৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত ই-ৰিক্সা চালকগৰাকী থিতাতে নিহত হয়। মৃত চালকজন কালাপানী আৰক্ষী চকী এলেকাৰ আমিৰুল ইছলাম বুলি জানিব পৰা গৈছে। দুৰ্ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

0000000

বৰপেটা জিলাৰ সৰ্থেবাৰীত যোৱানিশা দুৰ্বৃত্তই তিনিটা পুখুৰী থকা এটা মীন মহলত ৰাসায়নিক পদাৰ্থ পানীত মিহলাই বৃহৎ পৰিমাণৰ মাছ নিধন কৰাৰ অভিযোগ উত্থাপিত হৈছে। সৰ্থেবাৰী আৰক্ষী থানাৰ সমীপৰ ৰাববল হুছেইন নামৰ এজন লোকৰ প্ৰায় ৩০ বিঘা ভূমিত থকা পুখুৰীৰ মাছবোৰৰ মৃত্যু হৈ আজি পুৱাৰ পৰা পানীত উপঙি উঠিবলৈ ধৰে। মীনপালকসকলে এই ঘটনাৰ বুজ ল’বলৈ পানীত নমাৰ সময়তে তিনিওটা পুখুৰীৰ পাৰৰ পৰা ১১ টা বিষাক্ত ৰাসায়নিক পদাৰ্থৰ টেমা উদ্ধাৰ কৰে। সৰ্থেবাৰী আৰক্ষীয়ে ৰাসায়নিক পদাৰ্থৰ টেমাবোৰ জব্দ কৰাৰ লগতে পানীৰ নমুনা সংগ্ৰহ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

0000000

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলি থকা পাঁচখনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন টেষ্ট মেচ আজি বাৰ্মিংহামত আৰম্ভ হ’ব। খেলখন ভৰতীয় সময় অনুসৰি দিনৰ চাৰে তিনি বজাত আৰম্ভ হব। ইয়াৰ পূৰ্বে ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰত পাঁচ উইকেটত পৰাস্ত হৈছিল। দ্বিতীয়খন টেষ্টমেচত বুমৰাৰ ঠাইত ৱাশ্বিংটনসুন্দৰ বাকুলদীপযাদৱে স্থান লাভ কৰাৰ সম্ভাৱনা আছে। অৱশ্যে তাৰকা ফাষ্ট বলাৰ যশপ্ৰীত বুমৰাই খেলা নেখেলাৰ বিষয়ত এতিয়াও ভাৰতীয় দলটোৱে কোনো নিশ্চিত তথ্য প্ৰকাশ কৰা নাই। ইফালে প্ৰথমখন টেষ্টত দূৰ্বল প্ৰদৰ্শনৰ বাবে পেচ বলিং অল ৰাউণ্ডাৰ শাৰদুল ঠাকুৰৰ ঠাইত নীতিশ কুমাৰ ৰেড্ডীয়ে খেলাটো প্ৰায় নিশ্বিত হৈছে। ইংলেণ্ডে দ্বিতীয়খন টেষ্টৰ বাবে জোফ্ৰা আৰ্চাৰক দলত অন্তৰ্ভুক্ত কৰাৰ পিছতো ইতিমধ্যে অপৰিৱৰ্তিত একাদশৰ নাম ঘোষণা কৰিছে।ভাৰত আৰু ইংলেণ্ডৰ মাজত তৃতীয়খন টেষ্ট মেচ ১০জুলাইৰ পৰা লণ্ডনত আৰম্ভ হব।

000

মহিলাৰ টি -টুৱেন্টি ক্ৰিকেটত ভাৰতে কালি ব্ৰিষ্টলৰ কাউন্ট্ৰী গ্ৰাউণ্ডত অনুষ্ঠিত পাঁচখনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ইংলেণ্ডক ২৪ৰাণত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ২০অভাৰত চাৰিটা উইকেটৰ বিনিময়ত ১৮১ৰাণ কৰে। অমনজোত কৌৰে খেলখনত ৪০টা বলত অপৰাজেয় ৬৩ৰাণৰ বৰঙণি আগবঢ়াই প্লেয়াৰ অব দা মেচ সন্মান লাভ কৰে। খেলখনত ইংলেণ্ডে নিৰ্ধাৰিত ২০অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৫৭ৰাণ কৰিবলৈ সমৰ্থ হয়। এই জয়ৰ জৰিয়তে ভাৰতে টি -টুৱেন্টিৰ পাঁচখনীয়া শৃংখলাৰ দুখনত জয়লাভ কৰিছে। শৃংখলাৰ তৃতীয়খন খেল শুকুৰবাৰে লণ্ডনৰ কেনিংটন অ 'ভেলত অনুষ্ঠিত হ 'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ১১বজাত আৰম্ভ হ'ব।

000

**সমাপ্ত**